# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যত শেহতীয়াকৈ ১৯ খন জিলা বানৰ কবলত পৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা তথ্য অনুসৰি এই পৰ্যন্ত ৪৮টা ৰাজহ চক্ৰৰ ৯৭৯ খন গাঁৱৰ প্ৰায় ৩ লাখ লোক বানৰ কবলত পৰিছে। প্ৰশাসনে স্থাপন কৰা ১০৫ টা আশ্ৰয় শিবিৰত ১২ হাজাৰৰো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। প্ৰবল বৃষ্টিপাতৰ ফলত ব্ৰহ্মপুত্ৰকে ধৰি ৰাজ্যৰ বিভিন্ন নৈ-উপনৈৰ পানী বৃদ্ধি পোৱাত ৰাজ্যৰ ন-ন অঞ্চল প্লাৱিত হৈছে। ইপিনে, নগৰ অঞ্চলত হোৱা বানত কোকৰাঝাৰ, কামৰূপ, কাছাৰ, কামৰূপ মহানগৰ আৰু নলবাৰী জিলাত এহেজাৰতকৈ অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে এই জিলাকেইখনত স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ২৩৫ জনৰো অধিক লোকে আশ্ৰয় লৈ আছে। ইপিনে, বানৰ ফলত বিভিন্ন অঞ্চলত পথ যোগাযোগ আৰু আন্তঃগাঁথনিৰো ক্ষতি হৈছে। নামনি অসমৰ ধুবুৰী, গোৱালপাৰা, তামুলপুৰ, দৰং, বৰপেটা আদি জিলাত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। দৰং জিলাৰ মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত কবিকাৰা গাঁৱত মথাউৰি ছিগি বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। শাকতোলা নৈৰ বাঢ়নি পানীয়ে মথাউৰি ছিগি পেলোৱাত সেই অংশৰে পানী সোমাই খেতি-পথাৰ, বাট-পথ বুৰাই পেলাইছে। অৱশ্যে প্ৰশাসনে তৎপৰতাৰে মথাউৰি ছিগা অংশৰ মেৰামতিৰ কাম আৰম্ভ কৰিছে। ইপিনে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বান পৰিস্থিতি নিয়ন্ত্ৰণাধীন বুলি তেজপুৰত মন্তব্য কৰিছে। তেওঁ কয় যে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ক্ষিপ্ৰতাৰে কাম কৰি আছে। নেৰানেপেৰা বৰষুণৰ বাবে ৰাজ্যৰ কেইবাখনো নৈ-উপনৈৰ জলপৃষ্ঠ বিপদসীমা অতিক্ৰম কৰিলেও বান পৰিস্থিতি নিয়ন্ত্ৰণাধীন বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৰষুণ শাম কাটিলে পৰিস্থিতি উন্নত হ'ব বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০০০

আজি বিষ্ণু ৰাভা দিৱস। এই উপলক্ষে ৰাজ্য চৰকাৰৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আজি ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত দৰং মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত ২০২৪ বৰ্ষৰ বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীত তেওঁ অংশগ্ৰহণ কৰিছে। এই অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে যুৱ প্ৰজন্মক বিষ্ণু ৰাভাৰ আদৰ্শেৰে পৰিচালিত হ'বলৈ আহ্বান জনাইছে।

এই কাৰ্যসূচীতে বিশিষ্ট লোকশিল্পী ধৰ্মেশ্বৰ নাথ আৰু চিত্ৰশিল্পী দুৰ্লভ ভট্টাচাৰ্যক ২০২৪ বৰ্ষৰ বিষ্ণুৰাভা বঁটাৰে সন্মানিত কৰা হ'ব। তদুপৰি অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য জগতলৈ অমূল্য অৱদান আগবঢ়াই অহা ৯ গৰাকী স্বনামধন্য ব্যক্তিক এটা ৰাষ্ট্ৰীয় আৰু ৮টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে সন্মানিত কৰা হ'ব। ২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আজানপীৰ বঁটা প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা আনোৱাৰ হুছেইনক প্ৰদান কৰা হ'ব। আনহাতে, ৮টা ৰাজ্যিক পৰ্যায়ৰ বঁটাও প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজি দিনৰ ১০ বজাৰ পৰা বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৬ সংখ্যক স্মৃতি দিৱসত তেজপুৰৰ বিধায়ক তথা শিল্পীগৰাকীৰ পুত্ৰ পৃথ্বীৰাজ ৰাভাই কেতেকীবাৰীত থকা শিল্পীজনাৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শোণিতপুৰৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰও শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকে।

আনহাতে, সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত নলবাৰীতো দুদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে ৰাভা দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত বিষ্ণু ৰাভাৰ গীত, কবিতা, আবৃতি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

ৰাজ্যৰ আন ঠাইৰ লগতে আজি গোৱালপাৰা জিলাতো  কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতিত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।  একেদৰে নিখিল ৰাভা ছাত্ৰ সন্থাই কৃষ্ণাইৰ শালপাৰাত কেন্দ্ৰীয়ভাৱে আৰু জিলা প্ৰশাসনে নটসূৰ্য ফণী শৰ্মা ভৱনত ৰাভা দিৱস পালন কৰিছে।

0000000

বিশ্ব যোগ দিৱসৰ প্ৰাকক্ষণত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা চাৰে ৮ বজাত চলন্তিকা অনুষ্ঠানত 'সুন্দৰ জীৱনৰ বাবে যোগ' শীৰ্ষক দিগন্ত শৰ্মাৰ সৈতে হোৱা এটা আলোচনা আগবঢ়াব। আনহাতে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ পুৱা চাৰে ৬ বজাত তেজপুৰৰ চাৰ্চ্চ ফিল্ডত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাজ্যিক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে তেজপুৰ জিলা পুথিভঁৰালৰ সন্মুখত স্থাপন কৰা স্বাধীনতা সেনানী বাবু ছবিলাল উপাধ্যায়ৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে মুকলি কৰিব।

0000000

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি বাৰবাডোছৰ ব্ৰিছটাউনত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ খেলত ভাৰত আফগানিস্তানৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ইপিনে, ভাৰতীয় সময় অনুসৰি আজি পুৱা ছেইণ্ট লুছিয়াত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ খেলত ইংলেণ্ডে ৱেষ্ট ইণ্ডিজক ৮ উইকেটত পৰাস্ত কৰে। টছত জিকি ইংলেণ্ডে ৱেষ্ট ইণ্ডিজক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেটৰ বিনিময়ত ১৮০ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ ফিল ছল্টক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

00000000000

**সমাপ্ত**